Agradoot → 15 NOV/ 2011 26-11-2011

## ADVERTIMEMENT

Applications are invited from the intending and eligible Venture Institution and its employees imparting Degree Level Education for consideration of Provincialisation of the services of the eligible employees serving in such institution under the provision of the Assam Venture Educational Institutions (Provincialisation of Services) Act, 2011 (Assam Act No. XVII of 2011) as per prescribed format. Application Forms are available in the office of the Inspector of Schools of the concerned District with effect from **20-11-2011** onwards (also available in Assam Government's official website www.assam.gov.in) Completed Application form for the Institution is to be accompanied with the Treasury Challan of Rs. 100/- to be deposited in the head of account "2202-03-01- Direction & Administration' being the application fees. The applications along with copies of all relevant documents and proof of deposit of application fee shall be submitted to the Inspector of School of the concerned district by 4 P.M. on 20th December, 2011. Applications received after 20-12-2011 Shall not be processed.

Educational Institution who fulfills the following eligibility criteria will be eligible to apply.

1) The Institution/ Degree College must be established prior to 01-01-2006.

2) The Institutions/ Degree Colleges have received Permission/Affiliation from the concerned University and Concurrence from the State Govt. on or before 01-01-2006.

3) Must have a minimum enrolüent of 25 students in the final year of three years Degree Courses in each of the subject.

4) Must have a consistent of good academic performance which would mean that at least 30% of the candidates appearing for final examination of the Degree Course must have passed in any of the three examination held since 01-01-2006.


Sd/-
Director, Higher Educatáon, Assam
Kahilipara, Guwahati -19

***Janasanyog /3036/11***

10th Dec/2011 - Agradoot :→

# বাজেটত নাই প্ৰাদেশিকীকৰণৰ বাবে প্ৰয়োজনীয় ৩৫০০ কোটি

10th Dec/2011 – Agradoot



সৰিয়হ ফুলে সৃষ্টি কৰিছে অপৰূপ সৌন্দৰ্য্যৰ, ভৱানীপুৰত।

## চৰকাৰৰ ঘোষণাই আশ্বস্ত কৰিব পৰা নাই ভেঞ্চাৰ শিক্ষকক

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৯ ডিচেম্বৰ :** প্ৰায় ১৮ হেজাৰখন ভেঞ্চাৰ বিদ্যালয়ৰ প্ৰাদেশিকীকৰণৰ নামত নিধিৰাম চৰ্দাৰৰ ভূমিকা লৈছে তৰুণ গগৈ চৰকাৰে। ২০০৬ৰ পূৰ্বে স্থাপিত আৰু শিক্ষা বিভাগৰ প্ৰয়োজনীয় আনুষ্ঠানিকতা সম্পন্ন কৰা ভেঞ্চাৰ বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণ কৰাৰ সিদ্ধান্ত লৈছে যদিও এই সন্দৰ্ভত প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কৰা নাই ৰাজ্য *আঠ পৃষ্ঠাত চাওক*

# বাজেটত নাই প্ৰাদেশিকীকৰণৰ

*এক পৃষ্ঠাৰ পৰা* চৰকাৰে। অহা জানুৱাৰীৰ পৰা মাতৃভাষাত শিক্ষাদান কৰি থকা ভেঞ্চাৰ বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰা হ'ব বুলি ঘোষণা কৰা হৈছে। একেৰাহে তৃতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈয়ে যোৱা ১১ জুলাইত বাজেট উত্থাপন কৰি ভেঞ্চাৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছিল গগৈয়ে। তেওঁৰ এই ঘোষণা অনুসৰি ইতিমধ্যে শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত বিধানসভাত উত্থাপন কৰা শিক্ষা প্ৰাদেশিকীকৰণ বিধেয়কখন গৃহীত হৈছে। গগৈয়ে বাজেট বক্তৃতাত উল্লেখ কৰিছিল যে প্ৰাদেশিকীকৰণ আঁচনিৰ অধীনত ৰাজ্যৰ ৯৫ হেজাৰ শিক্ষক-কৰ্মচাৰীক সামৰি ল'ব। কিন্তু পৰৱৰ্তী পৰ্যায়ত বিধানসভাত যিখন বিধেয়ক উত্থাপন তথা গৃহীত হৈছিল সেই বিধেয়কখন অনুসৰি ভেঞ্চাৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ বিপৰীতে একাংশ শিক্ষক-কৰ্মচাৰীৰ চাকৰিহে নিয়মীয়া কৰাৰ সিদ্ধান্ত লোৱা হয়। শিক্ষামন্ত্ৰী ড° শৰ্মাই সদৰী কৰা মতে, প্ৰাদেশিকীকৰণ আঁচনিখন কাৰ্যকৰীকৰণৰ বাবে প্ৰয়োজন হ'ব বছৰি ৩,৫০০ কোটি টকা। ৰাজ্যৰ ভেঞ্চাৰ বিদ্যালয়সমূহৰ পৰ্যায়ক্ৰমে প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়া অহা জানুৱাৰীৰ পৰা কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰে যি ঘোষণা কৰিছে তাক লৈ সৃষ্টি হৈছে গভীৰ অনিশ্চয়তাৰ। কিয়নো ভেঞ্চাৰ বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে প্ৰয়োজন হ'ব অতিৰিক্ত পুঁজিৰ। অহা জানুৱাৰীৰ পৰা বিদ্যালয় প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিচাৰিলেও চলিত বিত্তীয় বৰ্ষৰ পৰিকল্পনাত এই সন্দৰ্ভত প্ৰয়োজনীয় পুঁজি ধাৰ্য কৰা হোৱা নাই। প্ৰয়োজনীয় পুঁজি অবিহনে কিদৰে চৰকাৰে ৰূপায়ণ কৰিব ভেঞ্চাৰ বিদ্যালয় প্ৰাদেশিকীকৰণ আঁচনিখন? দিছপুৰৰ নিৰ্ভৰযোগ্য সূত্ৰ অনুসৰি মুখ্যমন্ত্ৰী অথবা শিক্ষামন্ত্ৰীয়ে যিমানেই ঘোষণা নকৰক কিয় চলিত বিত্তীয় বৰ্ষত বিদ্যালয় প্ৰাদেশিকীকৰণ আঁচনিখন ৰূপায়ণ হোৱাৰ সম্ভাৱনা নাই। বাৰ্ষিক পৰিকল্পনাত পুঁজি নিৰ্ধাৰণ অবিহনে প্ৰাদেশিকীকৰণ আঁচনিখন কোনো পৰিস্থিতিতে ৰূপায়ণ কৰা সম্ভৱ নহয় বুলি সূত্ৰটোৱে সদৰী কৰে।

উল্লেখ্য যে শিক্ষা বিভাগৰ প্ৰয়োজনীয় অনুমতি আৰু আনুষ্ঠানিকতা সম্পূৰ্ণ কৰি ১৯৯১ৰ পৰা স্থাপিত হোৱা ...লয়সমূহ প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়া যোৱা ১৭ বছৰ ধৰি বন্ধ হৈ আছে। ফলত মাতৃভাষাৰ বিদ্যালয়সমূহে সম্প্ৰতি গভীৰ সমস্যাৰ সন্মুখীন হৈছে। বিনা বেতনে পাঠদান কৰি থকা মাতৃভাষাৰ বিদ্যালয়সমূহৰ শিক্ষকসকলো সন্মুখীন হৈছে সীমাহীন দুৰ্যোগৰ। তৃতীয়বাৰৰ বাবে দিছপুৰৰ ক্ষমতা হস্তগত কৰি মুখ্যমন্ত্ৰী গগৈয়ে ভেঞ্চাৰ বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ বাবে বিধানসভাত যি ঘোষণা কৰিছিল তাক লৈ ভেঞ্চাৰ বিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীসকলৰ মাজত আশাৰ সঞ্চাৰ হৈছিল। কিন্তু পৰৱৰ্তী পৰ্যায়ত বিধানসভাত গৃহীত হোৱা আঁসোৱাহপূৰ্ণ শিক্ষা বিধেয়কখনে অধিকাংশ শিক্ষকৰ জীৱনলৈ নমাই আনে ঘোৰ অমানিশা। ফলত গগৈৰ আশাৰ বতৰা হতাশাত পৰিণত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ভেঞ্চাৰ বিদ্যালয়সমূহৰ শিক্ষকৰ আত্মহত্যাৰ ঘটনা ক্ৰমে বৃদ্ধি হৈছে।

## প্ৰাদেশিকীকৰণ

'২০১৬লৈ পৰ্যায়ক্ৰমে ৰাজ্যৰ অপ্ৰাদেশিকীকৃত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰা হ'ব। কিন্তু সেই সময়লৈ শিক্ষকসকলে বিত্তীয় সাহায্য লাভ কৰিব। ইয়াৰ বাবে শিক্ষা বিভাগে চাৰিশ কোটি টকাৰ বিত্তীয় সাহায্য আঁচনি গ্ৰহণ কৰিছে।' এইদৰে উল্লেখ কৰি শিক্ষামন্ত্ৰী ড° শৰ্মাই কয় যে অহা এপ্ৰিলৰ পৰা শিক্ষকসকলে নিজ নিজ পদ প্ৰাদেশিকীকৃত নোহোৱালৈ এই বিত্তীয় সাহায্য লাভ কৰিব।